# TOURISM AND MANAGEMENT DEPARTMENT MEETING HELD AT SARAIGHAT COLLEGE ON 23rd NOVEMBER 2024.

নিৰ্ভীক, নিৰপেক্ষ
অসমীয়া খবৰ
২৪ নৱেম্বৰ, দেওবাৰ, ২০২৪

## শৰাইঘাট কলেজত পৰ্যটন আৰু ব্যৱস্থাপনা বিভাগৰ সভা

**আমাৰ খবৰ, চাংসাৰি, ২৩ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয়ৰ উদ্যোগত তথা শিক্ষানুষ্ঠানখনৰ পৰ্যটন আৰু ব্যৱস্থাপনা বিভাগে শেহতীয়াকৈ আশাৰ ৰেঙনি কঢ়িয়াই অনা মেডিকেল পৰ্যটনৰ ওপৰত লক্ষ্য ৰাখি স্থানীয় হোটেল ব্যৱসায়ীসকলৰ সহযোগত ২২ নৱেম্বৰত এখন সভা অনুষ্ঠিত হয়। সভাখনত বিশেষ অতিথি হিচাপে উপস্থিত আছিল অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ শৈক্ষিক প্ৰমুখ্য ডাঃ মানসী ভট্টাচাৰ্যী, বিশিষ্ট সমাজসেৱক তথা ড° আম্বেদকাৰ মিছন, অসমৰ সভাপতি দুলাল মেধিৰ লগতে চি এন ট্ৰেভেলৰ প্ৰতিষ্ঠাপক তথা অসমৰ পৰ্যটন ক্ষেত্ৰৰ অভিজ্ঞ ব্যক্তি চন্দন নাথ। সভাখন উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মাই। পৰিচালনা কৰে মহাবিদ্যালয়ৰ পৰ্যটন বিভাগৰ অধ্যাপিকা শিল্পী ৰাণী বৰুৱা আৰু বন্দিতা ডেকাই। সভাত উপস্থিত থাকি প্ৰথমে মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি তথা চাংসাৰিৰ মেডিকেল পৰ্যটনৰ লগত ওতপ্ৰোতভাৱে জড়িত ব্যক্তি ড° জ্ঞানদা নাথে চাংসাৰিৰ হোটেল ব্যৱস্থাৰ এটা চমু আভাস সকলোৰে আগত দাঙি ধৰে। তেওঁ শিক্ষা আৰু বাণিজ্য চহৰলৈ পৰিণত হোৱা বৃহত্তৰ চাংসাৰি অঞ্চলটোত কিমান হোটেল আছে, সেইবোৰ কেনেকৈ পৰিচালনা হৈছে, তাত কিমান কৰ্মচাৰী আছে ইত্যাদিৰ এটা চমু অৱলোকন উত্থাপন কৰে। একেদৰে সভালৈ আমন্ত্ৰণ কৰি অনা শৈক্ষিক প্ৰমুখ্য ডাঃ ভট্টাচাৰ্যীয়ে মেডিকেল পৰ্যটনৰ ওপৰত লক্ষ্য ৰাখি ভাল সুবিধা থকা ভাৰাঘৰ, হোটেলৰ ব্যৱস্থা আগবঢ়াবলৈ স্থানীয় ব্যৱসায়ীসকলক অনুৰোধ জনায় আৰু লগতে আনাগত দিনত মেডিকেল পৰ্যটন কিমান বৃদ্ধি পাব তাৰ এক চমু ব্যাখ্যা আগবঢ়ায়। চন্দন নাথেও চাংসাৰিত অনাগত দিনত মেডিকেল পৰ্যটন কেনেকৈ বৃদ্ধি হ'ব, স্থানীয় ব্যৱসায়ীসকলে কেনেকৈ আগবাঢ়িলে ভাল হ'ব তাৰ ইতিবাচক সম্ভাৱনীয়তাৰ বাৰ্তা দিয়াৰ লগতে পৰ্যটন সম্বন্ধীয় নিজৰ জীৱনৰ বহুতো অভিজ্ঞতা ছাত্ৰ-ছাত্ৰীসকলৰ আগত দাঙি ধৰে। সভাত উপস্থিত থকা চাংসাৰিৰ স্থানীয় ব্যৱসায়ীসকলে বাঢ়ি অহা মেডিকেল পৰ্যটনৰ লগত সংগতি ৰাখি নিজৰ নিজৰ মন্তব্য প্ৰদান কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক ব্যৱসায়ৰ প্ৰতি অনুপ্ৰেৰণা যোগায়।

## হোজাইৰ দেৱস্থান বজাৰত ঔষধ পৰিদৰ্শকৰ অভিযান

### কেইবা কাৰ্টন ঔষধ জব্দ

**আমাৰ খবৰ, নীলবাগান, ২৩ নৱেম্বৰ ঃ** হোজাইৰ ঔষধ পৰিদৰ্শকে ২২ নৱেম্বৰত স্থানীয় আৰক্ষীৰ সহযোগত দেৱস্থান বজাৰত অভিযান চলায়। দিনৰ ভাগত চলোৱা অভিযানত কেইবা কাৰ্টন ঔষধ জব্দ কৰে। ঔষধ পৰিদৰ্শকৰ লগতে অভিযানকাৰী দলটোৱে শুকুৰবাৰীয়া সাপ্তাহিক বজাৰতো তম্বুৰ তলত অবৈধভাৱে ঔষধ বিক্ৰী কৰি থকা আশ্বিকউদ্দিন, ছালিমউদ্দিন আৰু নাজিমউদ্দিনৰ অস্থায়ী বিপণীত চলাইছিল অভিযান। অবৈধভাৱে ঔষধ বিক্ৰী কৰি